NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-02-2023
**Time :** 18-45 hrs

# Assamese Evening Bulletin
# Headlines

0000000

১। জি-টুৱেণ্টি সদস্য ৰাষ্ট্ৰৰ প্ৰতিনিধি বৰ্গক বহনক্ষম জীৱন শৈলীক গণ আন্দোলনৰ ৰূপ দিয়াৰ বাবে যৌথভাৱে কাম কৰিবলৈ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ গুৱাহাটীত আহ্বান।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাইলৈ ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে বিশ্বশান্তিৰ বাবে বৰপেটাৰ নসত্ৰত আয়োজিত কৃষ্ণগুৰু একনাম অখণ্ড কীৰ্তনৰ ধৰ্মালোচনা সভাত অংশগ্ৰহণ।

৩। বাল্য বিবাহৰ বিৰুদ্ধে অসমৰ ৩৬ খন থানাত চাৰি হাজাৰ চাৰিটা গোচৰ ৰুজু হৈছে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

৪। দ্বিতীয় পৰ্য্যায়ৰ গুণোৎসৱৰ লগত সংগতি ৰাখি শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ কামৰূপ মহানগৰ জিলাৰ চাৰিখন হাইস্কুল পৰিদৰ্শন।

৫। মেঘালয় আৰু নগালেণ্ড বিধানসভা নিৰ্বাচনৰ বাবে বিভিন্ন দলৰ প্ৰাৰ্থী তালিকা ঘোষণা। ত্ৰিপুৰা বিধানসভাৰ নিৰ্বাচনত ২৫৯ গৰাকী প্ৰাৰ্থীৰ প্ৰতিদ্বন্দ্বিতা চূড়ান্ত।

*আৰু*

৬। জল-জীৱন অভিযানৰ অধীনত দেশৰ ১১ কোটি ৫ লাখ গ্ৰামাঞ্চলৰ পৰিয়ালক খোৱাপানী যোগান ধৰা হৈছে বুলি কেন্দ্ৰীয় চৰকাৰৰ প্ৰকাশ।

00000

কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল, জলপথ আৰু আয়ুষ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে জি-টুৱেণ্টি সদস্য ৰাষ্ট্ৰৰ প্ৰতিনিধি বৰ্গক বহনক্ষম জীৱন শৈলীক গণ আন্দোলনৰ ৰূপ দিয়াৰ বাবে যৌথভাৱে কাম কৰিবলৈ আহ্বান জনাইছে। ভাৰতৰ জি-টুৱেণ্টিৰ অধ্যক্ষতাৰ অংশ হিচাপে আজি গুৱাহাটীত আয়োজিত বহনক্ষম বিত্ত কাৰ্যগোটৰ প্ৰথমখন সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত ভাষণ দি মন্ত্ৰীগৰাকীয়ে এইদৰে আহ্বান জনায়। তেওঁ কয় যে বিশ্বই পৰিষ্কাৰ আৰু সেউজ সমাজৰ হকে কাম কৰা উচিত। তেওঁ লগতে কাৰ্বন নিৰ্গমনৰ পৰিমাণ কম কৰাৰ বাবে সকলোৰে প্ৰতি আহ্বান জনায়। ভাৰতে ৰাষ্ট্ৰীয় বিকাশৰ হকে বহনক্ষম উন্নয়নৰ প্ৰক্ৰিয়া আকোৱালি লৈছে বুলি শ্ৰী সোণোৱালে প্ৰকাশ কৰে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰীগৰাকীয়ে কয় যে বিশ্বক দেশৰ চহকী ঐতিহ্যৰ সৈতে পৰিচয় কৰি দিয়াৰ বাবে জি-টুৱেণ্টি ৰাষ্ট্ৰগোষ্ঠীৰ

অধ্যক্ষতা আমাৰ বাবে গৌৰৱৰ বিষয়। তেওঁ কয় যে জলবায়ু পৰিৱৰ্তনে মানৱ জাতিৰ বাবে জটিল পৰিস্থিতিৰ সৃষ্টি কৰিছে আৰু এই আলাপ আলোচনাৰ জৰিয়তে নিশ্চিতভাৱে জলবায়ু পৰিৱৰ্তন সমস্যা সমাধানৰ পথৰ অন্বেষণ কৰিব পৰা যাব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে এই দুদিনীয়া বৈঠকত জলবায়ু পৰিৱৰ্তনৰ সমস্যাৰ সন্মুখীন হোৱা ক্ষেত্ৰত দেখা দিয়া বিত্তীয় জটিলতা চিনাক্ত কৰা আৰু বিশ্বৰ জনসাধাৰণৰ কল্যাণৰ বাবে সমবিকাশ সুনিশ্চিত কৰিবলৈ প্ৰয়াস চলোৱা হ'ব। বৈঠকত এই মহান কাৰ্যৰ বাবে ধন সংগ্ৰহৰ স্থায়ী উৎসৰ বিশদ পৰিকল্পনা যুগুতাই উলিওৱা হ'ব বুলিও শ্ৰী সোণোৱালে প্ৰকাশ কৰে। জি-টুৱেণ্টি ৰাষ্ট্ৰগোষ্ঠীৰ সদস্য দেশ, অতিথি ৰাষ্ট্ৰ আৰু বিভিন্ন আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ শতাধিক প্ৰতিনিধিয়ে বৈঠকত অংশগ্ৰহণ কৰিছে। দুদিনীয়া কাৰ্যসূচীৰে আয়োজিত এই বৈঠকৰ চাৰিটা সত্ৰত জলবায়ু পৰিৱৰ্তনৰ সমস্যাৰ সন্মুখীন হোৱাৰ বাবে সময়মতে পৰ্যাপ্ত উৎস, বহনক্ষম উন্নয়নৰ বাবে পুঁজি সংগ্ৰহ আৰু বহনক্ষম উন্নয়নৰ সমগ্ৰ তন্ত্ৰৰ বাবে সামৰ্থ্য বৃদ্ধি আদি বিষয় লৈ আলোচনা কৰা হ'ব। এই দুদিনীয়া বৈঠকৰ সময়ত যোগ-সত্ৰসহ অসমৰ চহকী ঐতিহ্য আৰু পৰম্পৰাৰ সৈতে পৰিচয় কৰাই দিয়াৰ উদ্দেশ্যে প্ৰতিনিধি বৰ্গক সাংস্কৃতিক অনুষ্ঠানলৈ আমন্ত্ৰণ জনোৱা হৈছে।

ooooo

মৰিগাওঁ জিলা প্ৰশাসন আৰু মৰিগাওঁ মহাবিদ্যালয়ৰ উদ্যোগত  আজি মহাবিদ্যালয়খনৰ সভাকক্ষত জি-টুৱেণ্টি শীৰ্ষক সন্মিলনৰ কাৰ্যসূচী হিচাপে আৰ্হি ৱাই-টুৱেণ্টি সন্মিলনৰ আয়োজন কৰা হয়। এই কাৰ্যসূচীত ক্ৰীড়াৰ উন্নয়ন, দৰিদ্ৰতা আৰু স্বাস্থ্যৰ ওপৰত ইয়াৰ প্ৰভাৱ সন্দৰ্ভত আলোচনা চক্ৰ অনুষ্ঠিত হয়। এই আলোচনাত জিলাখনৰ ৭ খন মহাবিদ্যালয়ৰ প্ৰতিনিধিয়েক অংশ গ্ৰহণ কৰে। মহাবিদ্যালয়খনত পৰৱৰ্তী তিনিদিনলৈ এই কাৰ্যসূচী চলিব।

ইপিনে, গোৱালপাৰা মহাবিদ্যালয়ৰ উদ্যোগত আৰু জিলাখনৰ প্ৰশাসনৰ সহযোগত আজি ৱাই-টুৱেণ্টি কাৰ্যসূচী হিচাপে গোৱালপাৰা মহাবিদ্যালয় প্ৰেক্ষাগৃহত ভাৰত-চীনৰ সম্পৰ্ক বিষয়ক এখন আলোচনা চক্ৰ অনুষ্ঠিত হয়। এই অনুষ্ঠানত অসম লোকসেৱা আয়োগৰ প্ৰাক্তন অধ্যক্ষ তথা সেনা বাহিনীৰ অৱসৰপ্ৰাপ্ত বিষয়া ব্ৰিগেডিয়াৰ ৰঞ্জিত বৰঠাকুৰে আলোচক হিচাপে অংশগ্ৰহণ কৰে।

ধুবুৰী জিলাত আজি বা-টুৱেণ্টি বৈঠকৰ সৈতে সংগতি ৰাখি জিলাখনৰ ভোলানাথ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আন্তঃমহাবিদ্যালয়  তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হয়। অনুষ্ঠানত বিভিন্ন মহাবিদ্যালয়ৰ ১৩ টা দলে অংশগ্ৰহণ কৰে।

নগাঁও মহাবিদ্যালয়ৰ উদ্যোগত আজি ৱাই-টুৱেণ্টিৰ সৈতে সংগতি ৰাখি জলবায়ু পৰিবৰ্তন আৰু দুৰ্যোগ প্ৰশমন, বহনক্ষমতাক  জীৱন ধাৰণৰ উপায় হিচাপে গঢ়ি তোলা সন্দৰ্ভত এখন আলোচনা চক্ৰ অনুষ্ঠিত হয়। আলোচনাচক্ৰ উদ্বোধনী অনুষ্ঠানত পদ্মশ্ৰী সন্মানেৰে  সন্মানিত পৰিৱেশ কৰ্মী যাদৱ পায়েঙে অংশগ্ৰহণ কৰি নৱপ্ৰজন্মক প্ৰকৃতি ৰক্ষাৰ হকে কাম কৰিবলৈ আহ্বান জনায়। পৰিৱেশ প্ৰদূষণ ৰোধ কৰাৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ অংশ হিচাপে তেওঁ অসমত পৰিৱেশ বিশ্ববিদ্যালয় স্থাপন, শিক্ষাৰ প্ৰাথমিক-মাধ্যমিক পৰ্যায়ত পৰিৱেশ সম্পৰ্কীয় পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰাত গুৰুত্ব আৰোপ কৰে।  উল্লেখযোগ্য যে জি-টুৱেণ্টি, ৱাই-টুৱেণ্টিৰ কাৰ্যসূচীৰ লগত সংগতি ৰাখি নগাওঁ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ এটা দলে বিভিন্ন বিদ্যালয়-মহাবিদ্যালয়লৈ গৈ সজাগতা সৃষ্টিৰ প্ৰয়াস কৰিছে।

ooooo

জি-টুৱেণ্টি বৈঠকৰ সৈতে সংগতি ৰাখি প্ৰশাসনৰ সহযোগত ডিব্ৰুগড় বিশ্ববিদ্যালয়ে অহা ৪ ফেব্ৰুৱাৰীত চাইক্ল'থনৰ আয়োজন কৰিছে। ডিব্ৰুগড় বিশ্ববিদ্যালয় খেলপথাৰৰ পৰা পুৱা ৫ বাজি ৩০ মিনিটত এই চাইক্ল'থন শুভাৰম্ভ কৰা হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে বিশ্বশান্তিৰ বাবে বৰপেটাৰ নসত্ৰত আয়োজিত কৃষ্ণগুৰু একনাম অখণ্ড কীৰ্তনৰ ধৰ্মালোচনা সভাত অংশগ্ৰহণ কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে কৃষ্ণগুৰু সেৱাশ্ৰমৰ ভক্তসকলক উদ্দেশ্যি ভাষণ দিব। প্ৰতিবছৰে ৭ দিনীয়াকৈ এই অখণ্ড কীৰ্তন চলে যদিও ১২ বছৰৰ মুৰত এমহীয়াকৈ এই কীৰ্তনৰ আয়োজন কৰা হয়। দেশ বিদেশৰ অগণন ভক্তই অংশগ্ৰহণ কৰা এই অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে কাইলৈ বিয়লি চাৰে ৪ বজাত ভাৰ্চুৱেল ব্যৱস্থাৰে অংশগ্ৰহণ কৰিব। কাৰ্যসূচীত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ উপৰিও ৰাজ্যৰ কেবিনেট মন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু জয়ন্ত মল্ল বৰুৱা উপস্থিত থাকিব।

০০০০০

বাল্য বিবাহৰ বিৰুদ্ধে অসমৰ ৩৬ খন থানাত চাৰি হাজাৰ চাৰিটা গোচৰ ৰুজু হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যমত এই কথা প্ৰকাশ কৰে। ধুবুৰীত বাল্য বিবাহৰ বিৰুদ্ধে সৰ্বাধিক ৩৭০ টা গোচৰ ৰুজু হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা মতে, কাৰ্বি আংলঙত ১২৬, মৰিগাঁৱত ২২৪, ধেমাজিত ১০১, গোলাঘাটত ৬২, মাজুলীত ৪৪, তিনিচুকীয়াত ৭৩ আৰু হোজাইত ২৫৫ টা গোচৰ ৰুজু হৈছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই ৩ ফেব্ৰুৱাৰীৰ পৰা অভিযুক্তসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি ঘোষণা কৰিছে।

০০০০০

চলিত বৰ্ষৰ পৰাই নগাঁও চিকিৎসা মহাবিদ্যালয়ত পাঠদান আৰম্ভ হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই জিলাখনৰ ম'হখুলিত নিৰ্মিয়মান চিকিৎসা মহাবিদ্যালয়খন আজি পৰিদৰ্শন কৰি এই কথা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে মহাবিদ্যালয়খন পৰিদৰ্শন কৰি নিৰ্মাণ কাৰ্য্য সন্দৰ্ভত বুজ লয়। মুখ্যমন্ত্ৰীগৰাকীৰ পৰিদৰ্শন কালত জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকা, স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্ত, বিধায়ক ৰূপক শৰ্মা, জিতু গোস্বামীয়ে সংগ দিয়ে।

০০০০০

ৰাজ্যপাল লা গণেশণৰ ভাষণৰে আজি মণিপুৰ বিধানসভাৰ অধিবেশন আৰম্ভ হয়। নিজৰ ভাষণত ৰাজ্যপালগৰাকীয়ে ভাৰতে জি-টুৱেণ্টিৰ অধ্যক্ষতাৰ দায়িত্বভাৰ গ্ৰহণ কৰাৰ পৰিপ্ৰেক্ষিতত ভাৰতৰ বাবে চলিত বছৰটো অত্যন্ত গুৰুত্বপূৰ্ণ বিবেচিত হৈছে বুলি মন্তব্য কৰে। ৰাজ্যখনৰ স্বাস্থ্য খণ্ডৰ উন্নয়নৰ বিষয়ে উল্লেখ কৰি ৰাজ্যপালগৰাকীয়ে মুখ্যমন্ত্ৰীৰ বিশেষ স্বাস্থ্য আঁচনিৰ অধীনত ৰাজ্যখনৰ ২ লাখ ৪ হাজাৰ পৰিয়ালৰ ৬ লাখ ৭৩ হাজাৰৰো অধিক হিতাধিকাৰী উপকৃত হোৱা বুলি মত প্ৰকাশ কৰে। ৰাজ্যখনৰ নিজা ৰাজহ সংগ্ৰহ ২০২১-২২ বিত্তীয় বৰ্ষত এহেজাৰ ৬৪৯ কোটি টকালৈ বৃদ্ধি পাইছে বুলি ৰাজ্যপালগৰাকীয়ে প্ৰকাশ কৰে। একেদৰে প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ অধীনত মণিপুৰৰ ৬ লাখ ২০ হাজাৰৰো অধিক কৃষকক পঞ্জীয়ন কৰা হৈছে বুলি তেওঁ প্ৰকাশ কৰে। উল্লেখযোগ্য যে কাইলৈ এই অধিবেশনৰ সামৰণি পৰিব।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাইলৈ অসমৰ এন চি চি আৰু এন এছ এছ-ৰ একাংশ স্বেচ্ছাসেৱী তথা সদস্যৰ সৈতে মত বিনিময়ৰ এটা অনুষ্ঠানত ভাগ ল'ব। নতুন দিল্লীত অনুষ্ঠিত গণৰাজ্য দিৱসৰ পেৰেডত ৰাজ্যখনৰ পৰা অংশগ্ৰহণ কৰা এইসকল স্বেচ্ছাসেৱীৰ সৈতে হ'বলগীয়া কথা-বতৰাত মুখ্যমন্ত্ৰীয়ে তেওঁলোকৰ অভিজ্ঞতাকে ধৰি বিভিন্ন বিষয়ক লৈ মত বিনিময় কৰিব। কাইলৈ পুৱা চাৰে ৮ বজাত মহানগৰীৰ হোটেল ভিভাণ্টাত এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে বুলি ৰাজ্য চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগে জানিবলৈ দিছে।

০০০০০

শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে দ্বিতীয় পৰ্য্যায়ৰ গুণোৎসৱৰ লগত সংগতি ৰাখি আজি কামৰূপ মহানগৰ জিলাৰ অন্তৰ্গত ক্ৰমে নৱযুগ প্ৰাথমিক বিদ্যালয়, আমবাৰী উচ্চ মাধ্যমিক বিদ্যালয়, চম্পাৱতী হাইস্কুল আৰু বাথৌপুৰী বড়ো হাইস্কুল পৰিদৰ্শন কৰে। শিক্ষামন্ত্ৰীগৰাকীয়ে পৰিদৰ্শনকালত বিদ্যালয়সমূহৰ শৈক্ষিক, আন্তঃগাঁথনি, পৰিস্কাৰ-পৰিচ্ছন্নতাৰ ওপৰত শিক্ষাৰ্থীসকলৰ সৈতে মত-বিনিময় কৰি বিভিন্ন দিশ সন্দৰ্ভত বুজ লয়। ডাঃ পেগুৱে প্ৰধানকৈ বিজ্ঞান, গণিত আৰু ইংৰাজী বিষয়ৰ ওপৰত ছাত্ৰ-ছাত্ৰীসকলে আহৰণ কৰা জ্ঞান সন্দৰ্ভত মত-বিনিময় কৰে। তেওঁ যিসকল ছাত্ৰ-ছাত্ৰীয়ে এই বিষয়সমূহত অসুবিধাৰ সন্মুখীন হৈছে তেওঁলোকক লৈ শিক্ষকসকলক অতিৰিক্ত পাঠদান কৰাবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ উপৰি শিক্ষা মন্ত্ৰীগৰাকীয়ে অভিভাৱক তথা বিদ্যালয় পৰিচালনা সমিতিসমূহৰ লগতো বাৰ্তালাপ কৰে। তেওঁ কয় যে, এখন বিদ্যালয়ৰ উন্নতি আৰু প্ৰগতিৰ বাবে প্ৰতিগৰাকী নাগৰিকে দৃষ্টি ৰখাৰ প্ৰয়োজন আছে। ডাঃ পেগুৱে পৰিদৰ্শনকালত বিদ্যালয়সমূহত অভিভাৱক আৰু শিক্ষকসকলৰ মাজত নিয়মীয়া বৈঠক সন্দৰ্ভতো বুজ লয়।

ইফালে, গোলাঘাট জিলাতো কালিৰ পৰা দ্বিতীয় পৰ্য্যায়ৰ গুণোৎসৱৰ কাৰ্য্যসূচী অনুষ্ঠিত হৈছে। জিলাখনৰ প্ৰথম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈ মুঠ ১ লাখ ২১ হাজাৰ ২৬৯ গৰাকী শিক্ষাৰ্থীক সামৰি এহেজাৰ ৪৪৯ খন বিদ্যালয়ত গুণোৎসৱ আয়োজিত হৈছে। গোলাঘাট জিলাৰ উপায়ুক্ত ডাঃ পি উদয় প্ৰবীণে জিলাখনৰ বগীধলা বাগান প্ৰাথমিক বিদ্যালয় পৰিদৰ্শন কৰি গুণোৎসৱ কাৰ্য্যসূচীত অংশগ্ৰহণ কৰে। তেওঁ বিদ্যালয়খনৰ শৈক্ষিক দিশ তথা আন্তঃগাঁথনি, পৰিষ্কাৰ-পৰিচ্ছন্নতা সম্পৰ্কে বুজ লোৱাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ সৈতে মত-বিনিময় কৰে। গোলাঘাট জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ড০ সমীৰণ বৰাই গুণোৎসৱ উপলক্ষে দণ্ডধৰ বালিকা উচ্চ মাধ্যমিক বিদ্যালয় পৰিদৰ্শন কৰে।

একেদৰে, যোৰহাটত কালিৰে পৰা দ্বিতীয় পৰ্য্যায়ৰ গুণোৎসৱৰ কাৰ্য্যসূচী অনুষ্ঠিত হৈছে। এ পি ডি চি এলৰ অধ্যক্ষ জিষ্ণু বৰুৱাই চেনিয়ামগুৰি হাইস্কুল পৰিদৰ্শন কৰি গুণোৎসৱৰ কাৰ্য্যসূচীত অংশগ্ৰহণ কৰে।

০০০০০

মেঘালয় বিধানসভা নিৰ্বাচনৰ বাবে ভাৰতীয় জনতা পাৰ্টীয়ে ৬০ জনীয়া প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰিছে। ৰাজ্যখনত ৩১ জানুৱাৰীত মনোনয়ন দাখিল প্ৰক্ৰিয়া আৰম্ভ হৈছে আৰু ৭ ফেব্ৰুৱাৰীত মনোনয়ন দাখিলৰ অন্তিম দিন ধাৰ্য কৰা হৈছে। তৃণমূল কংগ্ৰেছ, এন পি পি আৰু কংগ্ৰেছ দলেও ৬০ টা সমষ্টিতে প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। ইউডিপিয়ে ৪৫ গৰাকী প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে আৰু ইয়াৰে ১৫ জনে গাৰোপাহাৰ জিলাৰ। ইপিনে, ৰাজ্যখনৰ ৫ বাৰৰ বিধায়ক তথা ৰাণীকৰ সমষ্টিৰ এন পি পি প্ৰাৰ্থী মাৰ্টিন এম

ডেংগোৱে কালি বিজেপিত যোগ দিয়ে। খাৰকুটা সমষ্টিত কংগ্ৰেছ দলৰ ৩ শতাধিক সমৰ্থকে দলটোত যোগ দিয়ে।

আনহাতে, নাগালেণ্ড বিধানসভা নিৰ্বাচনৰ বাবেও বিজেপিয়ে ২০ গৰাকী প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰিছে। ৰাজ্যখনৰ এন.ডি. পি.পিয়ে ৪০ খন আসনৰ লগত প্ৰাৰ্থী ঘোষণা কৰিছে আৰু প্ৰায়কেইখন আসন বিজেপিৰ সৈতে প্ৰাক নিৰ্বাচনী মিত্ৰতাৰ সূত্ৰে দলটোক দিয়া হৈছে। দলটোৱে প্ৰথমবাৰৰ বাবে দুগৰাকী মহিলা প্ৰাৰ্থীক প্ৰাৰ্থীত্ব দিছে। উল্লেখযোগ্য যে মেঘালয় আৰু নাগালেণ্ড  বিধানসভাৰ ৬০ খন আসনৰ বাবে এটা পৰ্যায়ত অহা ২৭ ফেব্ৰুৱাৰীত নিৰ্বাচন অনুষ্ঠিত হ'ব। ২ মাৰ্চত ফলাফল ঘোষণা কৰা হ'ব।

ইপিনে ত্ৰিপুৰা বিধানসভাৰ ৬০ খন আসনৰ বাবে অহা ১৬ ফেব্ৰুৱাৰীত অনুষ্ঠিত হবলগীয়া নিৰ্বাচনত ২৫৯ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা কৰাটো চূড়ান্ত হৈছে। আজি মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিনা ৩২ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰাৰ পাছত এই প্ৰাৰ্থীকেইগৰাকী প্ৰতিদ্বন্দিতাত অৱতীৰ্ণ হোৱাটো চূড়ান্ত হয়।

০০০০০

জল জীৱন অভিযানৰ অধীনত দেশত ৭ কোটি ৮১ লাখৰো অধিক অতিৰিক্ত গ্ৰাম্য পৰিয়ালক নলযোগে খোৱাপানীৰ যোগান ধৰা হৈছে বুলি কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰিছে। জল শক্তি দপ্তৰৰ ৰাজ্যমন্ত্ৰী প্ৰহ্লাদ সিং পেটেলে আজি লোকসভাত এটা প্ৰশ্নৰ লিখিত উত্তৰত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, জল জীৱন অভিযান ৰূপায়ণ আৰম্ভ কৰাৰ সময়ত দেশত ৩ কোটি ২৩ লাখ গ্ৰাম্য পৰিয়ালতহে নলযোগে খোৱাপানী যোগানৰ ব্যৱস্থা আছিল। সম্প্ৰতি  ১১ কোটি ৫ লাখ গ্ৰামাঞ্চলৰ পৰিয়ালক এনেদৰে বিশুদ্ধ খোৱাপানী যোগান ধৰা হয় বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়লৈ চলিত বৰ্ষৰ বাজেটত আৱণ্টিত  ধনৰ পৰিমাণ বিগত বছৰৰ তুলনাত ১১ শতাংশ বৃদ্ধি পাইছে। ২০১০ চনত ভাৰতত কমনৱেল্থ গেমছ অনুষ্ঠিত হোৱাৰ পাছত এই আৱণ্টন সৰ্বাধিক হিচাপে পৰিগণিত হৈছে। ২০২৩-২৪ বিত্তীয় বৰ্ষত মন্ত্ৰালয়ে ৩ হাজাৰ ৩৯৭ কোটি টকাৰো অধিক ধনৰ আৱণ্টন লাভ কৰিছে। যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী অনুৰাগ সিং ঠাকুৰে বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনক সাধাৰণ বাজেটত ক্ৰীড়া আৰু যুৱ পৰিক্ৰমাৰ ক্ষেত্ৰত আৰোপ কৰা গুৰুত্বৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছে। তেওঁ কয় যে ৰাজ্যখনৰ ক্ৰীড়াখণ্ডৰ সৰ্বাঙ্গীন বিকাশ সাধনৰ বাবে কেন্দ্ৰীয় চৰকাৰে তৃণমূল পৰ্যায়ৰ পৰা ক্ৰীড়া প্ৰতিভা বিকশাই তোলাৰ লগতে আন্তঃগাঠনি উন্নয়নত গুৰুত্ব আৰোপ কৰিছে।

০০০০০

অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণৰ সৌজন্যত আৰু ধুবুৰী জিলা আইন সেৱা প্ৰাধিকাৰীৰ উদ্যোগত অহা ১১ ফেব্ৰুৱাৰীত অসমৰ সকলো জিলাৰ লগতে ধুবুৰী জিলাতো ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হ'ব। সকলো ধৰণৰ পাৰিবাৰিক বিবাদৰ গোচৰ, আপোচযোগ্য ফৌজদাৰী গোচৰ আৰু অন্যান্য গোচৰসমূহ আপোচ মীমাংসাৰ জৰিয়তে লোক আদালতত নিষ্পত্তি কৰা হ'ব। ধুবুৰী জিলা আইন সেৱা প্ৰাধিকাৰীয়ে জিলাখনৰ আদালত কক্ষত অনুষ্ঠিত হ'বলগীয়া লোক আদালতত গোচৰ মীমাংসাৰ বাবে ৰাইজক আগবাঢ়ি আহিবলৈ আহ্বান জনাইছে।

০০০০০

ডিমা হাচাও জিলাৰ হাফলঙত আজি ডিমা হাচাও জিলা দিৱস উদযাপন কৰা হয়। এই উপলক্ষে জিলা ক্ৰীড়া সংস্থাৰ ক্ৰীড়া চৌহদত আজি এটা অনুষ্ঠানৰ আয়োজন কৰা হয়। এই উপলক্ষে এটা সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। তদুপৰি জিলাখনৰ জ্যেষ্ঠ নাগৰিকসকলক সমাজ জীৱনলৈ আগবঢ়োৱা বৰঙণিৰ বাবে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানৰ লগত সংগতি ৰাখি সাংস্কৃতিক কাৰ্যসূচী, পৰম্পৰাগত ক্ৰীড়া, কুকুৰৰ প্ৰদৰ্শণী আদি আয়োজন কৰা হয়।

০০০০০

যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানত সাঁচীগছৰ খেতি আৰু কৃত্ৰিম ভেঁকুৰ সংস্থাপনৰ কৌশলৰ ওপৰত অনুষ্ঠিত কৰা ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ প্ৰশিক্ষণ কৰ্মশালাখন আজি সফলভাৱে সমাপ্ত হয়। যোৱা ৩০ জানুৱাৰীৰ পৰা অনুষ্ঠিত হোৱা এই কৰ্মশালাত ভাৰতৰ ৬ খন ৰাজ্যৰ ১৮ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। কৰ্মশালাখনত কৃত্ৰিমভাৱে সাঁচী গছত ভেঁকুৰ সংস্থাপন কৰি আগৰ তেল প্ৰস্তুত কৰা, সাঁচী গছৰ লগত জড়িত আইনসংগত বিষয়সমূহ, সাঁচী গছৰ উৎপাদিত সামগ্ৰী ৰপ্তানিৰ পৰিমাণ আদি বিষয়ত প্ৰশিক্ষণ আগবঢ়োৱা হয়। প্ৰশিক্ষণৰ শেষত অনুষ্ঠিত হোৱা সমাপণ অনুষ্ঠানত প্ৰশিক্ষাৰ্থীসকলক মানপত্ৰ প্ৰদান কৰা হয়।

০০০০০

সমাপ্ত